# ল’ৰা-ছোৱালীৰ শিক্ষক আৰু তেওঁবিলাকৰ সহায়কাৰী সকলৰ কাৰণে নির্দ্দেশাৱলী

## আৰম্ভ কৰা হৈছে

“প্রিয় প্রভু, আপুনি ভালপোৱা ল’ৰা-ছোৱালীবিলাকক মই লগ পোৱা আগেয়ে মই নিজকে প্রস্তুত কৰাত মোক সহায় কৰক।”

**১। পৌল-তীমথিয়ৰ ল’ৰা-ছোৱালীৰ অধ্যয়নবিলাক ব্যৱহাৰ কৰক।**



- পৌল-তীমথিয়ৰ অধ্যয়নবিলাক যোৰা হিচাপে আছে। ইয়াত পালকৰ অধ্যয়নৰ কাৰণে আৰু একে বিষয়ত আন অধ্যয়ন ল’ৰা-ছোৱালীৰ কাৰণে থাকে। ল’ৰা ছোৱালীৰ অধয়নৰ ওপৰত ‘ল’ৰা-ছোৱালী’ শব্দ লিখা থাকে।
- বয়সীয়া সকলৰ দৰে ল’ৰা-ছোৱালীয়ে একে বিষয়কে শিকে।
- বিষয়বস্তুৰ লগত সম্বন্ধ থকা বয়সীয়া সকলে শিকা একে বাইবেলৰ কাহিনীকে আগতীয়াকৈ শিকি প্রস্তুত হ’বলৈ ল’ৰা-ছোৱালীক সহায় কৰিব। উপাসনাৰ সময়ত ল’ৰা-ছোৱালীয়ে বয়সীয়াসকলৰ কাৰণে বাইবেলৰ কাহিনীৰ নাটক কৰিব পাৰে।

**২। ল’ৰা-ছোৰলীৰ প্রয়োজনত খাপ খোৱাকৈ অধ্যয়নৰ ভিতৰতে কামবিলাক বাচি লওঁক।**

- ল’ৰা-ছোৱালীৰ অধ্যয়নত বিভিন্ন কামবিলাক থাকে। এইবোৰৰ পৰা বাচি ল’ব পাৰে। বৰ্ত্তমানৰ প্রয়োজন, আৰু যিহৰ নিমিত্তে আপোনাৰ সময় আছে সেইবোৰ ব্যৱহাৰ কৰক।

**৩। উপাসনাৰ সময়ত বয়সীয়া সকলৰ আগত পৰিবেশন কৰিবলৈ ল’ৰা-ছোৱালীৰ মিটিঙৰ সময়তে বিষয়বোৰ যুগুত কৰিবলৈ দিয়ক।**

- কণ কণ শিশুবিলাকক একেলগে থিয় হৈ একেলগে ক’বলৈ - অথবা গীত গাবলৈ দিয়ক।
- মুখস্থ পদ, ছুটী নাটক, পদ্য, গীত-গান অথবা ছুটীকৈ পাঠ আদি পঢ়াতো এনেদৰে কৰাওঁক।
- কিছুমান ল’ৰা-ছোৱালীয়ে বৰ মনে মনে থাকে আৰু লাজকুৰীয়া। তেওঁলোকেও ভাগ লৈ আন বিলাকৰ লগত যোগ দিব আৰু একেলগে কাম কৰিব।

**৪। তেওঁলোকে জনা সুৰৰ সহজ গীতবোৰ গাবলৈ দিয়ক।**

- ল’ৰা-ছোৱালীয়ে আনন্দ উপভোগ কৰিবলৈ পাঠবোৰৰ লগত সহজ গীতবোৰ গোৱাব।
- সপ্তাহটোৰ বিষয়বস্তুৰ বিষয়ে এটি সহজ পদ্য গীতৰ লগত খাপ খুউৱাকৈ এটি ডাঙৰ ল’ৰা /ছোৱালীক লিখিবলৈ দিয়ক।

**৫। কণ কণ ল’ৰা-ছোৱালীৰ হাতৰ অঙ্গী-ভঙ্গী অথবা গা লৰচৰ বাৰে বাৰে কৰিবলৈ দিয়ক।**

গল্প কওঁতে অথবা গীত গাঁওতে, সিহঁতে আঙুলি, বাহু অথবা ভৰি লৰাবলৈ ভালপায়। উদাহৰণ স্বৰূপে, দায়ূদে কেনেকৈ মহান গলিয়াথক বধ কৰিছিল, সেই গল্পটি কওঁতে সিহঁতক ভাগ ল’বলৈ দিয়ক।

- গলিয়াথে ইস্রায়েলৰ সৈন্য প্রত্যাহ্বান কৰোঁতে, ল’ৰা-ছোৱালীয়ে সিহঁতৰ হাতৰ মুঠি ওপৰত মাৰিব।
- দায়ূদে ফিঙাত শিল ঘূৰাওঁতে, ল’ৰা-ছোৱালীয়ে ফিঙা ব্যৱহাৰ কৰাৰ দৰে বাহু লৰাব।

- গলিয়াথৰ পতনত ল’ৰা-ছোৱালীয়ে কেঁকায় আৰু পৰি যায়, ইত্যাদি।

  কণ কণ ল’ৰা-ছোৱালীয়ে বাৰে বাৰে দোহাৰিবলৈ আৰু শব্দবোৰ ভাল পায়। উদাহৰণ ঃ
- যদিহে অথবা, ল’ৰা-ছোৱালীয়ে দয়ালু চমৰীয়াৰ গল্পটি কৈছে, তেনেহ’লে ল’ৰা-ছোৱালীক গাধৰ খুৰাৰ ক্লপ, ক্লপ শব্দ দিবলৈ কওঁক।
- আদম আৰু হৱাৰ বিষয়ে কওঁতে, সাপটোৰ কথা উল্লেখ কৰোঁতে ল’ৰা-ছোৱালীক কেইবাবাৰো হিচ্ হিচ্ শব্দ কৰিবলৈ দিয়ক।

**৬। ডাঙৰ ল’ৰা-ছোৱালীক সৰুবোৰক শিকাবলৈ দিয়ক।**

- তেওঁবিলাকে কি কৰিব লাগে ব্যাখ্যা কৰক।
- একেবাৰে সহজ ভাবে ৰাখিব। প্ৰতিবাৰত একোটাকৈ শিকাবলৈ দিয়ক।

**৭। ল’ৰা-ছোৱালীক বয়সীয়া সকলৰ লগত একেলগে উপাসনা কৰিবলৈ দিয়ক।**

- যিমান পাৰে সিমানে ল’ৰা-ছোৱালীকো লৈ উপাসনাৰ সময়ত এক পৰিয়ালৰ ভাৱ গঢ়ি তোলক।
- উপাসনাৰ সময়ত বয়সীয়া সকলৰ আগত পৰিবেশন কৰিব পৰাকৈ ল’ৰা-ছোৱালীৰ অধ্যয়নত বিষয়বোৰ দিয়া আছে।
- ভালদৰে যুগুত কৰি ল’ৰা-ছোৱালীৰ আগত প্ৰথমে পৰিবেশন কৰক।

**৮। সৰু সৰু গোটত ল’ৰা-ছোৱালীৰ কথাবোৰ শুনিব আৰু খ্ৰীষ্টত বৃদ্ধি হোৱাত তেওঁবিলাকক সহায় কৰক।**

- এই অধ্যয়নৰ যোগেদি প্ৰধান উপাসনাৰ সময়ত তিনিৰ পৰা পাঁচজনীয়া দল গঠন কৰি, পৰস্পৰৰ মাজত কথা বতৰা, আৰু প্ৰাৰ্থনা কৰাৰ সময় দিয়া আছে। এনেকুৱা দল বিলাকত ল’ৰা-ছোৱালীকো লগত ল’ব পাৰে।
- বাইবেলৰ অধ্যয়নৰ পিছত এই কাৰ্য্য কৰক, তেনে কৰিলে আপুনি প্ৰশ্ন সুধিব পাৰে অথবা সেই বিষয়ে মন্তব্য দিব পাৰে।
- আমি গোট খাওঁতে বিভিন্ন প্ৰকাৰে পৰস্পৰে শিকোৱা আৰু পৰিচৰ্য্যা কৰা নতুন নিয়মে বিচাৰে। ইয়াত ল’ৰা-ছোৱালীও থাকিব। এনে কৰিলে পবিত্ৰ আত্মাই অতি শক্তিশালীভাবে কাৰ্য্য কৰে।

**৯। সৰু গোটত ল’ৰা-ছোৱালীৰ লগত কথা পাতোতে, আপুনি কিদৰে সহায় কৰিব পাৰে বিচাৰ কৰক।**

- এনেধৰণৰ কিছুমান প্ৰশ্ন সুধিব পাৰে, “কাহিনীটোৰ কোন জনা ব্যক্তিক তোমালোকৰ আটাইতকৈ বেচি ভাল লাগে?” “আৰু কিয়?”
- তোমালোকো সেইজনা ব্যক্তিৰ নিচিনা হ’বলৈ ইচ্ছা কৰানে? “তুমি বাৰু কি কৰিব লাগে?”
- “ঘৰত, স্কুলত অথবা ওচৰ চুবুৰীয়াৰ লগত তোমালোকৰ কিবা সমস্যা আছেনে আমি তাৰ বাবে প্ৰাৰ্থনা কৰিব পাৰোঁ?”
- “অহা সপ্তাহটোত তুমি কাক সহায় অথবা দয়া দেখুৱাবা? “তুমি কি কৰিবা?”
- “তোমাৰ পিতা-মাতাক সন্তোষ্ট কৰিবলৈ কি কৰিবা মোক কবানে?”
- “তোমাৰ ককাই / ভাই অথবা বাই / ভনীক সন্তুষ্ট কৰিবলৈ কি কৰিবা মোক তাৰে এটা কবানে?”

**১০। ল’ৰা-ছোৱালীবিলাকক বাইবেলৰ কাহিনীবোৰৰ নাটক কৰিবলৈ দিয়ক।**

- ল’ৰা-ছোৱালীৰ অধ্যয়নত ছুটী নাটকবোৰ দিয়া আছে। ল’ৰা-ছোৱালীৰ মিটিঙত সেইবোৰ অভ্যাস /প্ৰেকটিচ কৰিব পাৰে আৰু একেখিনিকে বয়সীয়া সকলৰ সহায়ত প্ৰধান উপাসনাত পৰিবেশন কৰিব পাৰে।

- বাইবেলৰ কাহিনীবোৰ ল'ৰা-ছোৱালীয়ে নাটক কৰি ভাল পায়? এনে কৰাৰ দ্বাৰাই সিহঁতে বাইবেলৰ সত্যবোৰ মনত ৰাখিব পাৰে। সিহঁতে ল'ৰা-ছোৱালীৰ শিক্ষাৰ সময়ত আখৰা নকৰে কাৰণে সেয়ে ল'ৰা-ছোৱালীৰ বাবে শিকাৰ কাম। অনেক বাক্যবোৰ মুখস্থ কৰিব নিদিয়াকৈ এই নাটবোৰ ছুটি আৰু সহজকৈ কৰিলে উত্তম হয়।
- উদাহৰণস্বৰূপে, যিহোচুৱাই কনানীয়া মূৰ্ত্তিপূজকৰ লগত যুঁজ কৰাঁ বিষয়ে ল'ৰা-ছোৱালীৰ সভাত শিক্ষা দিওঁতে, শিক্ষকে কিছুমান ল'ৰা-ছোৱালীক ক'ব পাৰে, "তোমালোক যিহোচুৱাৰ সৈন্যবাহিনী হোৱা, আৰু আনবিলাকক "কনানীয়া সৈন্য" হোৱা বুলি কওঁক।
- ল'ৰা-ছোৱালীয়ে ক'ব লগা কথাখিনি শিক্ষকে শিকাই দিব পাৰে, কিন্তু ল'ৰা-ছোৱালীয়ে কামবোৰ কৰি দেখুওৱা উচিত। সিহঁতে নাটকত ব্যৱহাৰ কৰিবলগীয়া বস্তুবোৰ - যাঠী, ঢাল, আদি বিচাৰি হুলস্থূল কৰি পিছত নাটক পৰিবেশন কৰক। সিহঁতক শান্ত কৰাত নিশ্চয় সময় লাগিব, কিন্তু এনেদৰেই সিহঁতে ভালকৈ শিকিব আৰু তেনে কৰিয়েই সিহঁতে ভাল পায়।
- প্ৰত্যেক সপ্তাহে নাটক পৰিবেশন কৰিবলৈ প্ৰধান উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- সৰহ সংখ্যক ল'ৰা-ছোৱালী নাথাকিলে, ওচৰৰ ল'ৰা-ছোৱালীৰ সহায় বিচাৰক। এইয়ে খ্ৰীষ্টক আবিষ্কাৰ কৰাত তেওঁবিলাকক সহায় কৰিব।
- ডাঙৰ ল'ৰা-ছোৱালীয়ে সাধাৰণতে ভালকৈ নিজৰ ভাগ কৰে - যদিও প্ৰত্যেক শব্দ মনত নাৰাখে কিন্তু কি ক'ব লাগে তাক জানে। প্ৰথমে হয়তো তেনে কৰাত টান হ'ব পাৰে, কিন্তু পিছলৈ নিজে চিন্তা কৰি কবলৈ বেচি ভাল পাব, আৰু তেতিয়া নাটকখন অধিক বুজাব পৰা হ'ব। কিছুমান ল'ৰা-ছোৱালীয়ে বাক্যবোৰ মনত ৰাখিবলৈ ভাল পায়। সিহঁতৰ সুবিধা অনুযায়ী কৰিবলৈ দিয়ক।

**১১। আপুনি কি শিকায় ব্যাখ্যা কৰিবলৈ কিছুমান বস্তু অথবা ছবিবোৰ প্ৰস্তুত কৰক।**

- বস্তুবিলাক। উদাহৰণ ঃ যীচুক জগতৰ পোহৰ বুলি শিকাওঁতে, ল'ৰা-ছোৱালীয়ে এটা বাইবেলৰ পদ অথবা পদ্য কওঁতে জ্বলি থকা এডাল মমবাতি ওখকৈ ডাঙি ধৰিব।
- চিনবিলাক। উদাহৰণ ঃ সিহঁতে কথা কৈ থাকোঁতে চিনবোৰ ল'ৰা-ছোৱালীয়ে ধৰি থাকিব। যীচুৱে অন্ধ মানুহজনক সুস্থ কৰা বিষয়ে কৈ থাকোঁতে, সিহঁতে "ঈশ্বৰ প্ৰেম" বুলি কৈ এটা চিন ধৰি থাকিব পাৰে। ইচ্ছা কৰিলে দুজন ল'ৰা-ছোৱালীয়ে শব্দ দুটা এজনে "ঈশ্বৰ" আৰু আনজনে "প্ৰেম"ৰ দুটা চিন ধৰি থাকিব পাৰে।
- নৃত্য। উদাহৰণ ঃ চূফ সাগৰৰ মাজেৰে শুকান মাটিয়েদি ইস্ৰায়েলৰ সন্তানবিলাক পাৰ হৈ যাওঁতে, যাত্ৰাপুস্তক ১৫ অধ্যায়ত মোচি আৰু লোকবিলাকে পিছত গীত গাইছিল সেই বিষয়ে কোনো এজন পঢ়ি যাওঁতে, ল'ৰা-ছোৱালীবিলাকক নাচি নাচি উৎসৱ পাতিবলৈ দিয়ক। চয়তানে হৱাক প্ৰলোভনত পেলোৱা বিষয় বৰ্ণনা কৰিবলৈ ওখ ল'ৰা-ছোৱালীক আগলৈ দি, প্ৰতিজন ল'ৰা-ছোৱালীয়ে ইটো সিটো ধৰি, সাপৰ দৰে হৈ কোঠাত হিচ্ হিচ্ শব্দ কৰি এপাক ঘূৰিব পাৰে।

সহজে পোৱা যিকোনো সাধাৰণ বস্তুবোৰৰ ব্যৱহাৰ কৰক। আপোনাৰ অনুভৱ ব্যৱহাৰ কৰক। সাধাৰণ বস্তুবোৰে বাইবেলৰ সত্যবোৰ উত্তমভাৱে ব্যাখ্যা কৰে। ল'ৰা-ছোৱালীয়ে সদায় দেখি থকা বস্তুবোৰ ব্যৱহাৰ কৰক, এইবিলাক বস্তু দেখিলে সিহঁতে ঈশ্বৰক মনত পেলোৱাত সহায় হয়। তলত উল্লেখ কৰা বস্তুবিলাক ধৰি সেইবোৰৰ বিষয়ে সিহঁতক ক'বলৈ দিয়ক। উদাহৰণবোৰ ঃ

ঘাঁহ - ধান সিঁচা খেতিয়কৰ বিষয়ে যীচুৰ দৃষ্টান্ত।

শিলত তেওঁলোকৰ মুখবোৰ অকাঁ - অসৎ লোকৰ খঙাল মুখ, সৎলোকৰ হাঁহি মুখ।

সেউজীয়া গছ পাত - ভাল লোকবিলাক ভালকৈ পানী পাই থকা গছৰ নিচিনা (গীতমালা ১)।

জঁয় পৰা পাতবোৰ - ফলহীন ডিমৰু গছক যীচুৱে শাও দিছিল (মাৰ্ক ১১ঃ১২-২৪)।

এডাল বাঢ়নি - আমাৰ জীৱনৰ পাপবোৰ পবিত্ৰ আত্মাই শাৰি লৈ যায়।

এটুকুৰা চাবোন - খ্ৰীষ্টৰ তেজহে কেৱল এটুকুৰা চাবোন যিহে আমাৰ পাপবোৰ ধুই নিয়ে।

এগিলাচ পানী - চমৰীয়া তিৰোতা জনীক যীচুৱে জীৱন জলৰ প্ৰতিজ্ঞা দিছিল।

দুডাল লাঠি একেলগে জোৰা লগা - ক্ৰুচ।

কাগজত কটা এটা সাধাৰণ মাছ - পিতৰে মাছ মৰা।

এডাল পেন্সিল - জীৱন পুস্তকত আমাৰ নাম লিখা আছে

এখৰাহী ফল-মূল - আত্মাৰ ফলবিলাক (গালাতীয়া ৫ঃ২২-২৩)

এক কাঁহী ভাত - খ্ৰীষ্টৰ লগত আমাৰ মহান বিয়াৰ ভোজ (প্ৰকাশিত বাক্য ১৯ঃ৬-১০)

এমূৰে চোকা কৰা এডাল লাঠী - সৈন্যজনে ক্ৰুচত যীচুৰ কাষত যাঠীৰে খুচা।

এটা হাতুৰি অথবা কৰত - জাহাজখন বনাবলৈ নোহ আৰু তেওঁৰ লোকবিলাকক কেইবা বছৰ লাগিছিল।

এপাহ ফুল - ঈশ্বৰৰ সুন্দৰ সৃষ্টি (আদিপুস্তক ১), অথবা ঈশ্বৰৰ যোগাৰ (লূক ১২ঃ২২-৩২)।

এডাল কাঁইটীয়া ডাল - মানুহে প্ৰথমে পাপ কৰোঁতে ঈশ্বৰে অভিশাপ দিছিল (আদিপুস্তক ৩ঃ১৭-১৯)।

Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net